**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিত উদ্ভৱ হোৱা হিংসাত্মক পৰিস্থিতি সন্দৰ্ভত আজি প্ৰতিবাদকাৰী, কাৰ্বি স্বায়ত্তশাসিত পৰিষদ আৰু ৰাজ্য চৰকাৰৰ মাজত ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত হ'ব। দিছপুৰত মুখ্যমন্ত্ৰীৰ সৈতে হ'বলগীয়া এই বৈঠকত কাৰ্বি যুৱ নেতা লিটচন ৰংফাৰৰ নেতৃত্বত আন্দোলনকাৰী প্ৰতিনিধিবৰ্গ আৰু কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং উপস্থিত থাকিব। বৈঠকত স্বায়ত্ত শাসিত পৰিষদৰ ২৬ টা সমষ্টিত একোজনকৈ প্ৰতিনিধিও উপস্থিত থাকিব। মুখ্য কাৰ্যবাহী সদস্য ৰংহাঙে কালি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে আলাপ-আলোচনাৰ মাজেৰে খেৰণিৰ সমস্যা সমাধানৰ চেষ্টা চলোৱা হ'ব। বৈঠকত কাৰ্বি পাহাৰৰ দুয়োখন জিলাৰ পিজিআৰ আৰু ভিজিআৰ ভূমিত বেদখল উচ্ছেদৰ ব্যৱস্থা আৰু পদক্ষেপ সন্দৰ্ভত আলোচনা কৰা হ'ব।

খেৰণিৰ পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক হৈছে। কালিৰ দিনটোত অঞ্চলটোত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাই। সেনা-আৰক্ষীয়ে পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। বিগত দিনকেইটাত সৃষ্টি হোৱা আতংকময় পৰিস্থিতিৰ পাছত অঞ্চলটোলৈ ক্ৰমাৎ শান্তি ঘূৰি আহিছে। পৰিস্থিতি কিছু স্বাভাৱিক হোৱাত সাধাৰণ জীৱনযাত্ৰা আৰম্ভ হৈছে। অঞ্চলটোৰ দুই-এখন ব্যৱসায়িক প্ৰতিষ্ঠানো খোলা পৰিলক্ষিত হৈছে।

oooooo

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ক্ৰীড়াৰ জৰিয়তে সম্প্ৰতি আন্তৰ্জাতিক পৰ্য্যায়ত কৰ্ম-সংস্থাপন আৰু উপাৰ্জনৰ পথ মুকলি হয় বুলি মন্তব্য কৰিছে। ডিব্ৰুগড় জিলাৰ সাংসদ খেল মহোৎসৱৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি কয়, যে ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দায়িত্ব গ্ৰহণ কৰাৰ পাছৰে পৰাই নিৰন্তৰভাৱে খেলৰ জৰিয়তে সমাজখনক শক্তিশালী কৰিবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আহিছে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ কাৰ্য্যকালত ৰাজ্যখনে ক্ৰীড়াক্ষেত্ৰত ন ন পৰিকল্পনা গ্ৰহণ কৰিবলৈ সমৰ্থ হৈছে। দেশৰ সকলো ৰাজ্যতে এই মহোৎসৱ অনুষ্ঠিত হৈ আহিছে বুলি উল্লেখ কৰি সৰ্বানন্দ সোণোৱালে কয়, যে খেলুৱৈসকলৰ বাবে দেশ-বিদেশত উন্নত মানৰ প্ৰশিক্ষণৰো ব্যৱস্থা কৰা হৈছে।

oooooo

শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত অসম চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অন্তৰ্গত ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ মাজত কালি শিৱসাগৰ ছোৱালী মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত এখন সভাত স্কুটি বিতৰণ কৰা হয়। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে কাৰ্বি আংলঙৰ শেহতীয়া পৰিস্থিতি, বাংলাদেশৰ অস্থিৰ অৱস্থা আদি কেইবাটাও বিষয়ত মন্তব্য আগবঢ়ায়।

oooooo

সদৌ অসম মইনা পাৰিজাতৰ অষ্টদশ দ্বিবাৰ্ষিক শিশু সমাৰোহ আজিৰে পৰা গোলাঘাটৰ পোৱাবাংলাত জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব। ২৯ ডিচেম্বৰলৈ হ'বলগীয়া এই সমাৰোহত ২৩ খন জিলাৰ ৭ হাজাৰ শিশুৱে

অংশগ্ৰহণ কৰিব। আয়োজক সমিতিয়ে ইতিমধ্যে সমাৰোহৰ প্ৰস্তুতি সম্পন্ন কৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে। এই সমাৰোহত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা অংশগ্ৰহণ কৰাৰ কথা।

০০০০০০

ধেমাজিৰ কছাৰি ময়দানত অহা ৯ জানুৱাৰীৰ পৰা ৪ দিনীয়া কাৰ্যসূচীৰে আত্মনিৰ্ভৰ ধেমাজী উৎসৱৰ পঞ্চম সংস্কৰণৰ আয়োজন কৰা হৈছে। ধেমাজী আৰক্ষী, কৃষি  বিজ্ঞান কেন্দ্ৰ, বিভিন্ন লাইন  বিভাগ আৰু মিছিং স্বায়ত্ত শাসিত পৰিষদৰ সৈতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই বিষয়ে প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে কৃষক, শিপিনী, আত্মসহায়ক গোট, ঔদ্যোগিক সংযোগ আৰু প্ৰযুক্তিগত সাহায্য প্ৰদান কৰি আত্মনিৰ্ভৰশীলতা নিশ্চয়তা প্ৰদান কৰাই এই উৎসৱৰ মূল উদ্দেশ্য। তেওঁ লগতে এই উৎসৱ সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সকলোৰে সহায়-সহযোগিতা কামনা কৰে।

০০০০০০

যোৰহাটৰ ৰজামৈদাম নিউ ক'লনীৰ নিবাসী বিশিষ্ট গীতিকাৰ, নাট্যকাৰ, অভিনেতা তথা নাট পৰিচালক অমৰ শৰ্মাৰ কালি এখন ব্যক্তিগত হাস্পতালত দেহাৱসান ঘটে। যোৰহাটৰ লগতে ৰাজ্যৰ নাট্য অভিনয় আৰু নাট্য সাহিত্যৰ ক্ষেত্ৰখনত যথেষ্ট অৰিহণা আগবঢ়াই যোৱা শিল্পীগৰাকীৰ বিয়োগত বিভিন্ন দল সংগঠনে শোক প্ৰকাশ কৰিছে। বিশিষ্ট নাট্যকাৰগৰাকীক কালি যোৰহাট থিয়েটাৰ, যোৰহাট পূজা মন্দিৰ, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয় আদি কেইবাটাও সামাজিক অনুস্থানৰ পৰা শেষ শ্ৰদ্ধা জনোৱাৰ অন্তত গড়মূৰ শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়।

০০০০০০

সমাপ্ত